দৈনিক অগ্ৰদূত
গুৱাহাটী, ১২ মে', ২০২৬ মঙলবাৰ পৃষ্ঠা তিনি

# ৰাষ্ট্ৰীয় উদবল প্ৰতিযোগিতালৈ অসমৰ ১২জনীয়া দল ঘোষণা



গুৱাহাটী, ১১ মে' ঃ অহা ১৪ মে'ৰ পৰা ১৭ মে'লৈ চত্তিছগড়ৰ ৰায়পুৰত অনুষ্ঠিত হ'ব ২০ সংখ্যক ৰাষ্ট্ৰীয় উদবল প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে অসম দলটো ঘোষণা কৰা হৈছে। দল নিৰ্বাচন কৰিবলৈ যোৱা ২০ এপ্ৰিলৰ পৰা গুৱাহাটীত এক বাছনি শিবিৰ অনুষ্ঠিত হৈছিল। সেই শিবিৰৰ পৰাই ১২জনীয়া পুৰুষ আৰু মহিলাৰ দলটো নিৰ্বাচন কৰা হয়। নিৰ্বাচিত খেলুৱৈসকলে ষ্ট্ৰোক আৰু ফেয়াৰৱে' বিভাগৰ টিম ইভেণ্ট, ডাবলছ, মিক্সড় ডাবলছ আৰু ছিংগলছ শাখাত অংশগ্ৰহণ কৰিব। নিৰ্বাচিত খেলুৱৈসকলক আজি উদবল সন্থা, অসমৰ সভাপতি ড° পাৰ্থ সাৰথি মহন্ত, কাৰ্যকৰী সভাপতি ড° নৱজ্যোতি বড়ো, সাধাৰণ সম্পাদক প্ৰাণ প্ৰতিম চলিহা, সহকাৰী সাধাৰণ সম্পাদক ড° শশী মোহন দাসকে ধৰি সন্থাৰ বিষয়ববীয়াসকলে শুভেচ্ছা জনোৱাৰ লগতে ড্ৰেছ কোড বিতৰণ কৰি দলটোৰ সফলতা কামনা কৰে। দলটোৱে কাইলৈ ৰায়পুৰ অভিমুখে ৰাওনা হ'ব। নিৰ্বাচিত খেলুৱৈসকল— (মহিলা) সংগীতা দাস, হীৰা চেতিয়া, সংগীতা শৰ্মা, ঋষিকা বড়া, খুছবু চুলতানা, (পুৰুষ) জ্ঞিতুপন দাস (অধিনায়ক), নিৰ্ণয় সিনহা, ভাৰ্গৱ দাস, মৃদুল বৰগোহাঁই, ৰিচাৰ্ড কলিতা, প্ৰাণ প্ৰতিম চলিহা আৰু জিজ্ঞাস নাথ। টিম ইনচাৰ্জ— মৃদুল বৰগোহাঁই।